# কৃতজ্ঞতা

'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়'ৰ অসমীয়া বিভাগত পিএইচ. ডি. পাঠ্যক্ৰম (২০১৮ বৰ্ষ)ৰ গৱেষণা-কৰ্মত যোগদানৰ বাবে সুবিধা প্ৰদান কৰা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়'ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক প্ৰয়াত ড° প্ৰদীপ হাজৰিকা ছাৰলৈ ভক্তিভৰা শ্ৰদ্ধা নিবেদিছোঁ। তেখেতৰ লগতে বিভাগৰ সমূহ অধ্যাপকৰ পৰামৰ্শ আৰু উৎসাহ-উদ্দীপনাৰ বাবে আমি চিৰকৃতজ্ঞ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন কলাগুৰু আৰু অসমীয়া বিভাগৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা প্ৰাধ্যাপক তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকা বাইদেউৰ তত্ত্বাৱধানত **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** শীৰ্ষক গৱেষণা-গ্ৰন্থখনি প্ৰস্তুত কৰা হৈছে। আমাৰ গৱেষণাৰ আধৰুৱা কামটিৰ গুৰুদায়িত্ব বহন কৰি বহুমূলীয়া দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা, সহায়-সহযোগিতা আৰু আশীৰ্বাদ দিয়াৰ বাবে তেখেতলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

গৱেষণাৰ সমল সংগ্ৰহত সহায় আগবঢ়োৱা 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, 'ডিব্ৰুগড় বিশ্ববিদ্যালয়'ৰ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ, 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়'ৰ গ্ৰন্থাগাৰ, 'ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়'ৰ গ্ৰন্থাগাৰ, জিলা পুথিভঁৰাল (নগাঁও)ৰ কৰ্তৃপক্ষ আৰু কৰ্মকৰ্তালৈ কৃতজ্ঞতা যাচিছোঁ।

গৱেষণা-কৰ্মৰ বাবে উৎসাহ-অনুপ্ৰেৰণা যোগোৱা আমাৰ পূজনীয় দেউতা শ্ৰীযুত মাঘিৰাম শইকীয়া, প্ৰভা শইকীয়া (মা), লক্ষেশ্বৰী হাজৰিকা (শাহুমা)ৰ ওচৰত চিৰঋণী হৈ থাকিম। স্বামী কুঞ্জ মোহন হাজৰিকা আৰু একমাত্ৰ জীয়াৰী ৰাগিণী হাজৰিকাৰ মৰম-অনুপ্ৰেৰণা, সহায়-সহযোগিতাই আমাক গৱেষণা-গ্ৰন্থখন সমাপ্ত কৰাত সহায় কৰিছে। তেওঁলোকলৈ বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছোঁ।

গৱেষণা-কৰ্মত উৎসাহ দি সকলো ক্ষেত্ৰতে প্ৰেৰণা দিয়া আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন

সঞ্চালক ড° সূৰ্য দাস ছাৰ, ‘হোজাই মহাবিদ্যালয়’ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° দীপক বৰা ছাৰ, ‘ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়’ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী ছাৰ আৰু অসমীয়া বিভাগৰ সমূহ সহকৰ্মী আৰু অৰ্থনীতি বিভাগৰ আমাৰ প্ৰিয় সহকৰ্মী ড° বৰ্ণালী হাজৰিকালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তদুপৰি আমাৰ ঘৰুৱা কামত সহযোগিতা আগবঢ়োৱা বুলু ঘোষ আৰু লাল বানুলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বীণা শইকীয়া

**তাৰিখ :** ১৫।০৩।২০২১ **বীণা শইকীয়া**